# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত। ধেমাজিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ আজি মুখ্যমন্ত্ৰীৰ প্ৰচাৰ অভিযান।

২। ৰাষ্ট্ৰীয় পঞ্চায়ত পুৰস্কাৰ ২০২৫ত পঞ্চায়ত ক্ষমতা নিৰ্মাণ সৰ্বোত্তম সংস্থা পুৰস্কাৰ শিতানত অসম ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ তৃতীয় স্থান লাভ।

২। গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ ২০২৪-২৫ বৰ্ষত প্ৰায় ১৭ কোটি কিলোগ্ৰাম চাহ বিক্ৰীৰ অভিলেখ।

৪। আজি সতী সাধনী স্মৃতি দিৱস। অসম চৰকাৰৰ উদ্যোগত মৰাণত বীৰংগনা সতী সাধনীৰ স্মৃতি দিৱসৰ আয়োজন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ৯ উইকেটত জয়লাভ।

০০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ ল'ব। জিলাখনৰ চিলাপথাৰৰ অকাজান হাইস্কুল খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব। উল্লেখযোগ্য যে, জিলাখনৰ ১২খন জিলা পৰিষদ, ৫ খন আঞ্চলিক পৰিষদ আৰু ৬৫ খন গাঁও পঞ্চায়তৰ বাবে অহা ২ মে'ত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিপূৰ্বে জিলাখনত দলীয় প্ৰাৰ্থীৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু পীযুষ হাজৰিকাৰ লগতে সাংসদ প্ৰদান বৰুৱাইও প্ৰচাৰ অভিযান চলাইছিল। শ্ৰীভূমি জিলাতো পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। বিজেপি মিত্ৰজোঁটৰ উপৰি বিৰোধী কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে। কালি জিলাখনৰ টেলীখালৰ পাৰ খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ভাষণ দিয়ে। পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে ভাল ফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় পঞ্চায়ত পুৰস্কাৰ ২০২৫ৰ **পঞ্চায়ত ক্ষমতা নিৰ্মাণ সৰ্বোত্তম সংস্থা পুৰস্কাৰ** শিতানত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, অসমে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। পঞ্চায়তৰ সামৰ্থ বৃদ্ধিৰ বাবে প্ৰতিষ্ঠানটোৱে এই সৰ্বভাৰতীয় পুৰস্কাৰ লাভ কৰিছে। ১৯৮৭ চনত প্ৰতিষ্ঠা হোৱা এই প্ৰতিষ্ঠানটোৱে প্ৰশিক্ষণ, উদ্ভাৱনী কৌশল অৱলম্বনেৰে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ পঞ্চায়তীৰাজ ব্যৱস্থা শক্তিশালীকৰণৰ দিশত বিভিন্ন ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰতিষ্ঠানটোৱে সৰ্বমুঠ ১২ হাজাৰ ৮১৭টা প্ৰশিক্ষণ কাৰ্যসূচীৰে এতিয়ালৈকে ৩ লাখ ৫৭ হাজাৰ ৯৯৮ গৰাকী প্ৰশিক্ষাৰ্থীক বিভিন্ন ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদান কৰিছে। ইয়াৰোপৰি ৰূপান্তৰ প্ৰকল্পৰ জৰিয়তে উদ্যমিতাৰ প্ৰশিক্ষণ, ডিজিটেল তথা কম্পিউটাৰ সাক্ষৰতা আদিৰ দৰে বিভিন্ন

প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে গ্ৰাম্য ৰূপান্তৰৰ দিশত বিশেষ অৰিহণা আগবঢ়াই আহিছে। অহা ২৪ এপ্ৰিলত হ'বলগীয়া ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিষ্ঠানটোলৈ এই পুৰস্কাৰ আগবঢ়াব। এই শিতানত কেৰেলাৰ স্থানীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানে প্ৰথম আৰু ওড়িশাৰ ৰাজ্যিক গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানে দ্বিতীয় পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে। অসমৰ হৈ এই পুৰস্কাৰ ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিশেষ সচিব মুনীন্দ্ৰ নাথ শৰ্মাই গ্ৰহণ কৰিব।

০০০০০০

গুৱাহাটী চাহ নিলাম কেন্দ্ৰই ২০২৪-২৫ বৰ্ষৰ ১৬ কোটি ৯০ লাখ কিলোগ্ৰাম চাহ বিক্ৰীৰে অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। চাহৰ বিক্ৰীৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগতে চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী হোৱা চাহৰ গড় দামো বৃদ্ধি পাইছে। ২০২৪-২৫ বৰ্ষত কেন্দ্ৰটোৰ জৰিয়তে ১৬ কোটি ৯০ লাখ কিলোগ্ৰামৰো অধিক চাহ বিক্ৰী হোৱাৰ বিপৰীতে ২০২৩ বৰ্ষত ১৬ কোটি ৬৩ লাখ কিলোগ্ৰাম চাহ বিক্ৰী হৈছিল। সদ্যসমাপ্ত বিত্তীয় বৰ্ষত বিক্ৰী হোৱা মুঠ চাহ প্ৰতি কিলোগ্ৰামত গড়ে ২২৭ টকা ৭০ পইচা দৰত বিক্ৰী কৰা হৈছে। ইয়াৰ আগেয়ে ২০২৩-২৪ বৰ্ষত প্ৰতি কিলোগ্ৰাম চাহ ১৮৩ টকা ২০ পইচা দৰতহে বিক্ৰী কৰা হৈছিল। এই অনুসৰি পূৰ্বৰ বছৰৰ তুলনাত কেন্দ্ৰটোৱে প্ৰতি কিলোগ্ৰাম চাহত গড়ে ৪৪ টকা ৫০ পইচাকৈ অধিক মূল্য লাভ কৰিছে। সদ্য সমাপ্ত বিত্তীয় বৰ্ষটোত চাহ নিলাম কেন্দ্ৰটোৰ জৰিয়তে মুঠ প্ৰায় ৩ হাজাৰ ৮৫১ কোটি টকাৰ চাহ বিক্ৰী কৰা হৈছে বুলি কেন্দ্ৰটোৰ বিষয়ববীয়াই প্ৰকাশ কৰিছে। ইপিনে, সুখমল নামৰ ব্ৰেণ্ডৰ চাহ কেন্দ্ৰটোৱে প্ৰতি কিলোগ্ৰামত সৰ্বাধিক ৭৫১ টকাকৈ বিক্ৰী কৰে। চাহ নিলাম কেন্দ্ৰটোৱে টি-লাউঞ্জৰ জৰিয়তেও ২০২৪-২৫ বৰ্ষত প্ৰায় এক কোটি টকাৰ ব্যৱসায় কৰিছিল।

০০০০০০

ৰাজ্যৰ বিদ্যালয়সমূহত চলিত বৰ্ষৰ নামভৰ্তিৰ ক্ষেত্ৰত **শিক্ষাৰ সংহত জিলা তথ্য ব্যৱস্থা** চমুকৈ UDISE সূচ্যাংক বাধ্যতামূলক নহয় বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জাননী জাৰি কৰিছে। জাননীত উল্লেখ থকা অনুসৰি ২০২৬-২৭ শিক্ষাবৰ্ষৰ পৰাহে শিক্ষাৰ্থীৰ পঞ্জীয়ন আৰু নামভৰ্তিৰ বাবে বিদ্যালয়সমূহৰ UDISE সূচ্যাংক বাধ্যতামূলক হ'ব। ইয়াৰ অবিহনে নৱম শ্ৰেণীৰ পঞ্জীয়ন আৰু একাদশ শ্ৰেণীৰ নামভৰ্তিত অনুমতি প্ৰদান কৰা নহ'ব।

উল্লেখযোগ্য যে **শিক্ষাৰ সংহত জিলা তথ্য ব্যৱস্থা**ত প্ৰাক প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈকে আনুষ্ঠানিক শিক্ষা প্ৰদান স্বীকৃতিপ্ৰাপ্ত আৰু অস্বীকৃতিপ্ৰাপ্ত সকলো বিদ্যালয়ৰ আন্তঃগাঁথনি, শিক্ষকৰ অৰ্হতা, শিক্ষাৰ্থীৰ নামভৰ্তি, আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা আদি তথ্য সংগ্ৰহ কৰি ৰাখে। এই ব্যৱস্থাৰ জৰিয়তে সংগ্ৰহ কৰা তথ্যই চৰকাৰী বিভাগসমূহক কাৰ্যসূচী আৰু মূল্যায়নৰ পৰিকল্পনা আৰু ৰূপায়ণত সহায় কৰে।

০০০০০০

আজি সতী সাধনী স্মৃতি দিৱস। সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ তথা জাতিৰ বাবে চৰম বলিদান দিয়া বীৰাংগনা সতী সাধনী চুতীয়া ৰাজ্যৰ শেষ ৰাণী আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সতী সাধনী দিৱস উপলক্ষে মহিয়সী নাৰীগৰাকীৰ গভীৰ দেশপ্ৰেম আৰু আত্মবলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ মৰাণৰ গজপুৰীয়াত আজি বীৰংগনা সতী সাধনী স্মৃতি দিৱসৰ আয়োজন কৰা হৈছে। গজপুৰীয়া বিহুতলী প্ৰেক্ষাগৃহত ডিব্ৰুগড় প্ৰশাসন, সদৌ চুতীয়া জাতি সন্মিলন অসম, চুতীয়া জাতি মহিলা সন্মিলন, চুতীয়া জাতি যুৱ সন্মিলন, চুতীয়া ছাত্ৰ সন্থাৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে

এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈয়ে–

**ভইচ (যাদৱ গগৈ)**

সন্ধিয়ালৈ **সৌমাৰৰত্ন সাধনী** নামৰ এখন নাট প্ৰদৰ্শন কৰা হ'ব। নাটখন মন্ত্ৰী যোগেন মহনে উদ্বোধন কৰিব বুলি উদ্যোক্তাসকলে সংবাদমেলযোগে জানিবলৈ দিছে।

০০০০০০

ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত কালি পৰিষদে অনুমোদন জনায়। পৰিষদৰ বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে দাখিল কৰা চলিত বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত সদনত অনুষ্ঠিত দীঘলীয়া আলোচনাৰ পাছত বাজেটখন গৃহীত হয়। ইয়াৰ আগেয়ে পৰিষদৰ অধ্যক্ষ মোহিত হোজাইৰ অধ্যক্ষতাত বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে এহেজাৰ ২ কোটি ১১ লাখ ১৪ হাজাৰ টকাৰ বাজেট সদনত দাখিল কৰে। বাজেট অধিবেশনত ৩০জনীয়া পৰিষদৰ ২৮জন সদস্য উপস্থিত থাকে। কালি সদনত কাৰ্যবাহী সদস্য নিৰঞ্জন হোজাই আৰু সদস্যা নমৰাথাং মাৰে বাজেট সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপন কৰে। নিৰঞ্জন হোজাইয়ে বাজেটৰ ক্ষেত্ৰত স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। একেদৰে নমৰাথাং মাৰেই পৰিষদৰ মুৰব্বী দেব'লাল গাৰ্লোছাৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰে আৰু সমাধানৰ দাবী জনায়। অধিবেশনৰ অন্তত মুখ্য কাৰ্যবাহী সদস্য দেব'লাল গাৰ্লোছাই সংবাদ মাধ্যমৰ আগত পাহাৰীয়া জিলাসমূহৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটখন অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। এইবাৰৰ বাজেটত পাহাৰীয়া জিলাখনৰ যোগাযোগ ব্যৱস্থা, স্বাস্থ্য, পৰ্যটন আৰু কৃষি খণ্ডত অধিক গুৰুত্ব দিয়া হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যখনৰ সম্ভাব্য বান পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৰকাৰে ১৬টা জলাশয় খনন কৰাৰ সিদ্ধান্ত লৈছে। বাৰিষা বৰষুণৰ পানী জমা কৰিবলৈ এই জলাশয়সমূহ খনন কৰাৰ বাবে বিভাগটোৱে যুগুত কৰা ৬৩৪ কোটি ৮৩ লাখ টকাৰ বিতং প্ৰকল্প প্ৰতিবেদনত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ কাৰ্যবাহী পৰিষদে অনুমোদন জনাইছে। এই পৰিকল্পনা কাৰ্যকৰী কৰাৰ বাবে জলসম্পদ বিভাগে পুঁজি বিচাৰি শীঘ্ৰেই কেন্দ্ৰ চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব। এই জলাশয়সমূহ শোণিতপুৰ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, মাজুলী, তিনিচুকীয়া, মৰিগাঁও আৰু কামৰূপ জিলাত খনন কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জলসম্পদ বিভাগে প্ৰথম পৰ্যায়ত বানৰ আশংকা অধিক থকা জিলাসমূহত প্ৰাকৃতিক জলাশয় সমূহক খনন কৰি পানী বহন কৰাৰ ক্ষমতা বৃদ্ধিৰ পৰিকল্পনা কৰিছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অসমত বানৰ প্ৰকোপ হ্ৰাস কৰাৰ বাবে বৃহৎ পুখুৰী খন্দাৰ পৰামৰ্শ দিছিল।

০০০০০০

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছক ৯ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময় ১৭৬ ৰান কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে এটা উইকেট হেৰুৱাই ১৫ অভাৰ আৰু ৪টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৰোহিত শৰ্মাই ৪৫টা বলত ৭৬ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ যাদৱে ৩০টা বলত ৬৮ ৰান কৰে। ৰোহিত শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাৱ কিংছক ৭ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱ কিংছে নিৰ্ধাৰিত  অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৭ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল ছেলেঞ্জাৰ্ছে ১৮ অভাৰ আৰু ৫টা বলত তিনিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ক'লকাতাৰ ইডেন গাৰ্ডেনছত আজি হ'বলগীয়া খেলত কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

অত্যধিক ঋণ নিৰ্ভৰশীলতাই ৰাজ্যখনৰ অৰ্থনৈতিক ভৱিষ্যতৰ প্ৰতি ভয়াৱহ ইংগিত বহন কৰা বুলি চৰ্চা চলি থকাৰ সময়তে ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়, বাসগৃহ আদিকে ধৰি বহু ভৱন ভাঙি পুনৰ নিৰ্মাণ কৰিব। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে।

গুৱাহাটী চাহ নীলাম কেন্দ্ৰৰ জৰিয়তে ২০২৪-২৫ বৰ্ষত অভিলেখ পৰিমাণৰ চাহ বিক্ৰী হৈছে। এই বিত্তীয় বৰ্ষটোত চাহ কেন্দ্ৰটোৱে তিনি হাজাৰ ৮৫১ কোটি টকাৰ ব্যৱসায় কৰিছে। বাতৰিটো **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

গ্ৰাম্য স্বৰাজৰ আধাৰস্বৰূপ ৰাজ্যৰ পঞ্চায়তবোৰৰ স্বৰাজোত্তৰ ৮টা দশকতো অতি শোচনীয় অৱস্থাৰ দিশটো উন্মোচন কৰি দৈনিক জনমভূমি কাকতে **ধোবাংবাং দুই শতাধিক পঞ্চায়ত গৃহ** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

পূব গুৱাহাটী বিহু সন্মিলনীয়ে সংগীত শিল্পী দিগন্ত ভাৰতীক ক্ষমা নোখোজে বুলি নিজৰ স্থিতিত অটল থকাৰ সময়তে ৰাজ্যৰ একাংশ শিল্পীয়ে প্ৰতিবাদ অব্যাহত ৰাখিছে। এই বাতৰি **আমাৰ অসম** কাকতৰ।

**দৈনিক অগ্ৰদূত** কাকতে সংশোধিক ৱকফ আইনক লক্ষ্য কৰি ৰাজ্যত সকলো ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী নিষিদ্ধ কৰি জিলা প্ৰশাসনসমূহলৈ ৰাজ্যৰ গৃহ বিভাগে নিৰ্দেশনা প্ৰেৰণ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ৰাছিয়াই মহাকাশলৈ প্ৰেৰণ কৰা কৃত্ৰিম উপগ্ৰহ সন্দৰ্ভত আমেৰিকা আৰু ইউৰোপৰ দেশসমূহৰ মাজত উদ্বিগ্নতা সৃষ্টি হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই ন্যায় পালিকাৰ বিৰুদ্ধে সৰব হৈ কেতবোৰ বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে এই সন্দৰ্ভত এটা বিস্তৃত বাতৰি প্ৰকাশ কৰিছে।

বাণিজ্য চুক্তি, গোলকীয় বিষয় আদি সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যেৰে আজি নতুন দিল্লীত আমেৰিকাৰ উপৰাষ্ট্ৰপতি জে ডি ভানছ উপস্থিত হ'ব। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতে US Vice President Vance begins 4 dya India visit today  শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমৰ টোলগেটসমূহৰ জৰিয়তে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীলৈ এহেজাৰ ৮৭৫ কোটি টকা সংগ্ৰহ কৰিছে। এই বাতৰি দ্যা ছেণ্টিনেল কাকতৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়ৰ আৰু ত্ৰিপুৰাত মজলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অহা ২৪ ঘণ্টাত উত্তৰ-পূৰ্বাঞ্চলত সামগ্ৰিকভাৱে উষ্ণতাৰ বিশেষ তাৰতম্য নহ'ব বুলি আঞ্চলিক বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

oooooo

সমাপ্ত